**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। আজিৰে পৰা পাঠশালাত অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশন।

২। ১৫ ফেব্ৰুৱাৰীৰ পৰা ৰাজ্যৰ চৰকাৰী চিকিৎসালয়ৰ নিদানপত্ৰত এটা হোৱাটছ্-এপ নম্বৰ সন্নিৱিষ্ট কৰা হ'ব বুলি স্বাস্থ্য মন্ত্ৰী অশোক সিংহলৰ প্ৰকাশ।

৩। **আখৰ এ আই** নামৰ **টকিং এপ** প্ৰস্তুত গুৱাহাটীৰ দুই ছাত্ৰৰ। এই এপৰ জৰিয়তে কৈ থকা কথা স্বয়ংক্ৰিয়ভাৱে টাইপ হ'ব কম্পিউটাৰত।

৪। ৰাজ্যজুৰি পৰম্পৰা ৰীতি-নীতিৰে মে-ডাম-মেফি পালন। *আৰু*

৫। ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ ফুটবল দলৰ জয়েৰে অভিযান আৰম্ভ। শক্তিশালী গোৱাৰ বিৰুদ্ধে ৩-২ গলত জয়লাভ।

oooooo

বজালী জিলাৰ পাঠশালাত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছে। আজি পুৱা চাৰে ৮ বজাত নামঘৰৰ দ্বাৰ উদ্ঘাটনেৰে সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ হয়। বামাখাটা সত্ৰৰ সত্ৰাধিকাৰ প্ৰবোধ দেৱ অধিকাৰীয়ে নামঘৰৰ দ্বাৰ মুকলি কৰে আৰু নাজিৰাৰ সমাজকৰ্মী যতীন লাহনে বন্তি প্ৰজ্বলন কৰে। কিছুসময়ৰ পূৰ্বে পাঠশালা অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে ভট্টদেৱ ক্ষেত্ৰ মুকলি কৰে।

অধিৱেশন সন্দৰ্ভত আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে কয় -----

*(বাইট ঃ দামোদৰ তালুকদাৰ)*

সাহিত্য সভাৰ অধিৱেশনৰ বাবে নাট্য নগৰী পাঠশালাৰ জনসাধাৰণৰ মাজত উলহ-মালহৰ পৰিৱেশৰ সৃষ্টি হৈছে। সাহিত্য অনুৰাগী তথা অন্যান্য অতিথিসকলক আদৰাৰ বাবে পাঠশালাবাসী সাজু হৈছে। এই অধিৱেশনৰ সাংস্কৃতিক শোভাযাত্ৰাত বৰ অসমৰ আৰ্হিৰ প্ৰতিফলন ঘটোৱাৰ প্ৰয়াস কৰা হ'ব। দুখন বাহনত প্ৰতীকী ৰূপত বজালীৰ ঐতিহাসিক ডুবি দেৱালয়, ভোগেশ্বৰী মন্দিৰ আৰু এছিয়াৰ দ্বিতীয় সৰ্ববৃহৎ জালিখাটাৰ বটগছৰ লগতে অসমৰ ভিন্ন কলা-সংস্কৃতি আটকধুনীয়া ৰূপত তুলি ধৰা হ'ব। এই ব্যতিক্ৰমী সাংস্কৃতিক শোভাযাত্ৰাৰ বাবে শিল্পীসকল অহৰহ ব্যস্ত হৈ আছে। সাহিত্য সভাৰ অধিৱেশন এইবেলি প্ৰথমবাৰলৈ বাটৰ কবিতাৰ আয়োজন কৰা হৈছে। একেদৰে এইবাৰৰ অধিৱেশনত বাণিজ্য মেলাৰ পৰিৱৰ্তে বিজ্ঞান মেলাৰ দিহা কৰা হৈছে। বজালীৰ উৎপাদিত সামগ্ৰী, খাদ্য সম্ভাৰেৰে বজালী হাটৰো ব্যৱস্থা কৰা হৈছে। অধিৱেশনথলীত ৭৭ বৰ্গ ফুটৰ বৃহৎ জাপি সাজি উলিওৱা হৈছে। এই জাপিটো চোৱাৰ বাবে ইতিমধ্যে অধিবেশনথলীলৈ অগণন লোকৰ সমাগম হৈছে। এই অধিবেশনত সাহিত্য ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ১০০তকৈও অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাহিত্য সভালৈ গৈ গ্ৰন্থ ক্ৰয় কৰাৰ বাবে মন্ত্ৰী, বিধায়ক আৰু চৰকাৰী বিষয়াসকলক ইতিপূৰ্বে আহ্বান জনাইছে।

০০০০০০

১৫ ফেব্ৰুৱাৰীৰ পৰা ৰাজ্যৰ চৰকাৰী চিকিৎসালয়সমূহত চিকিৎকে ৰোগীক দিয়া প্ৰেছক্ৰিপছন অৰ্থাৎ নিদানপত্ৰত এটা হোৱাটছ্-এপ নম্বৰ সন্নিৱিষ্ট কৰা হ'ব। ৰোগীয়ে এনে নিদানপত্ৰত লিখি দিয়া ঔষধ সংশ্লিষ্ট চিকিৎসালয়খনত নাপালে এই নম্বৰটোত অভিযোগ দাখিল কৰিব পাৰিব আৰু সেই অনুযায়ী কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰিব। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে কালি শ্ৰীভূমি অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰি এই কথা ঘোষণা কৰে। তেওঁ কয়, যে চৰকাৰে চৰকাৰী চিকিৎসালয়সমূহত পৰ্যাপ্ত পৰিমাণে সকলো ঔষধ যোগান ধৰে সেয়েহে ৰোগীয়ে সকলো ঔষধ চিকিৎসালয়ত বিনামূলীয়াকৈ লাভ কৰে। একাংশ চিকিৎসকে ঔষধৰ নাম সলনি কৰি লিখাৰ বাবে কিছু ক্ষেত্ৰত জটিলতাৰ সৃষ্টি হয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এনে অসুবিধালৈ চাই ১৫ ফেব্ৰুৱাৰীৰ পৰা নিদানপত্ৰত একোটাকৈ নম্বৰ সন্নিৱিষ্ট কৰা হ'ব আৰু ৰোগীয়ে ঔষধ নাপালে সেই নম্বৰত নিদানপত্ৰৰ ফটোসহ অভিযোগ কৰিব পাৰিব আৰু চৰকাৰে সেই অনুযায়ী ব্যৱস্থা গ্ৰহণ কৰিব।

০০০০০০

সংসদৰ বাজেট অধিৱেশন আজি আৰম্ভ হ'ব। অধিৱেশনৰ আৰম্ভণিতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক উদ্দেশি দিয়া ভাষণ দিব। ৰাষ্ট্ৰপতিৰ অভিভাষণৰ পাছতেই কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সদনত অৰ্থনৈতিক সমীক্ষা দাখিল কৰিব।

বিত্তমন্ত্ৰী সীতাৰমনে কাইলৈ সংসদত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় বাজেট দাখিল কৰিব। সোমবাৰে ৰাজ্যসভা আৰু লোকসভাত ৰাষ্ট্ৰপতি ভাষণৰ প্ৰতি ধন্যবাদ সূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা হ'ব। বাজেট অধিৱেশনৰ সময়ছোৱাত বিত্ত বিধেয়ক ২০২৫, ৱাক্‌ফ সংশোধনী বিধেয়খ ২০২৪, ইমিগ্ৰেচন আৰু বিদেশী বিধেয়ক ২০২৫, বেংকিং আইন সংশোধনী বিধেয়ক ২০২৪ আৰু ৰেলৱে সংশোধনী বিধেয়ক ২০২৪, আলোচনা আৰু গ্ৰহণৰ বাবে সদনত উত্থাপন কৰা হ'ব। ১৩ ফেব্ৰুৱাৰীত দুটা পৰ্যায়ত হ'বলগীয়া এইবাৰৰ বাজেট অধিৱেনৰ প্ৰথম পৰ্যায়ত সামৰণি পৰিব। অধিৱেশনৰ দ্বিতীয় পৰ্যায় ১০ মাৰ্চৰ পৰা ৪ এপ্ৰিললৈ চলিব।

০০০০০০

গুৱাহাটীৰ নুনমাটিৰ লুইত নগৰৰ দুই ভাতৃ ইন্দ্ৰনীল আৰু কাব্যনীল তালুকদাৰে **আখৰ এ আই** নামৰ **টকিং এপ** বিকশাই তুলিছে। এই এপৰ জৰিয়তে কৈ থকা কথা স্বয়ংক্ৰিয়ভাৱে কম্পিউটাৰত টাইপ হ'ব। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সুলেখক কুল শইকীয়াই কালি গুৱাহাটী প্ৰেছ ক্লাবত কৃত্ৰিম বুদ্ধিমত্তাৰে নিৰ্মিত আখৰ এ আই নামৰ এই কম্পিউটাৰ এপ্লিকেচনটো আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উপলক্ষে শ্ৰী শইকীয়াই কয়, যে ইন্দ্ৰনীল আৰু কাব্যনীলে কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগ কৰি যি কাম কৰি দেখুৱালে সেই কামে আমাক গৌৰৱান্বিত কৰি তুলিছে। অনুষ্ঠানত অংশ লৈ কটন বিশ্ববিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হিতেন চৌধুৰীয়ে কয়, যে আধুনিকতাৰ দৌৰ বৰ্তি থাকিবলৈ হ'লে আমি কৃত্ৰিম বুদ্ধিমত্তাৰ সহায় ল'ব লাগিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড০ মফিদুল হাছান, ষ্টাৰ্ট আপ উদ্যামী প্ৰণৱ তালুকদাৰ

আৰু নবীন উদ্যোগী ভাস্কৰজ্যোতি হালৈয়ে অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় বাজেট সম্পৰ্কীয় এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

যোৱা ২৫ জানুৱাৰীৰ নিশা আমাৰ কেন্দ্ৰৰ দৃষ্টিপাতত প্ৰচাৰিত এই বছৰৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা সংক্ৰান্তিয় বিশেষ আলোচনাৰ অনুষ্ঠানটো আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা আজি দিনৰ ১১ বজাত পুনৰ প্ৰচাৰৰ দিহা কৰা হৈছে। শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ মনত উদ্ৰেক হোৱা ভালেমান বিষয় সন্দৰ্ভত এই অনুষ্ঠানত মনোজ্ঞ আলোচনা প্ৰচাৰিত হৈছিল। আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰা এই অনুষ্ঠানটোত ভাগ লৈছিল ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ মণ্ডল ১-ৰ পৰীক্ষা নিয়ন্ত্ৰক নয়নজ্যোতি শৰ্মা আৰু মণ্ডল ২-ৰ পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন কুমাৰ দাসে। এই অনুষ্ঠান আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ মিডিয়াম ৱেভৰ ৫২৯.১ মিটাৰ অৰ্থাৎ ৫৬৭ কিলোহাৰ্টজ আৰু এফ এম বেণ্ডৰ ১০১.৩ মেগাহাৰ্টজত শুনিবলৈ পাব। ৪৩ মিনিটৰ এই অনুষ্ঠান নিউজ অন এয়াৰ এপতো শ্ৰোতাসকলে শুনিবলৈ পাব।

০০০০০০

আজি মে-ডাম-মেফি। আহোম জনগোষ্ঠীয় লোকসকলে পৰম্পৰা ৰীতি-নীতিৰে উপৰি পুৰুষক স্মৰণ কৰাৰ উদ্দেশ্যে এই অনুষ্ঠান পালন কৰে।

টাই-আহোমসকলৰ এই পবিত্ৰ অনুষ্ঠানটিৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু চৰাইদেউ জিলা প্ৰশাসন তথা বৃহত্তৰ কেন্দ্ৰীয় মে-ডাম-মেফি উদযাপন সমিতিৰ সহযোগত চৰাইদেউ পি এম শ্ৰী সাপেখাতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কেন্দ্ৰীয়ভাৱে এই অনুষ্ঠান পালন কৰা হ'ব। দিনৰ ১ বজাত আৰম্ভ হ'বলগীয়া এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে পৰিবহন মন্ত্ৰী যোগেন মহন সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। চৰাইদেউত কেন্দ্ৰীয়ভাৱে উদযাপন হ'বলগীয়া মে-ডাম-মেফিৰ বিষয়ে আমাৰ সংবাদদাতা নবুল কোঁৱৰে এইদৰে জনাইছে। ---- **(বাইট)**

প্ৰতি বছৰৰ দৰে শিৱসাগৰ জিলাৰ কাৰেংঘৰ, তলাতল ঘৰ, চৰাইদেউৰ মৈদাম প্ৰাঙ্গণ, লেচাই মৈদামতো এই অনুষ্ঠান আয়োজন কৰা হৈছে। শিৱসাগৰ চহৰৰ সমীপৰ হাঁহচৰাত দুদিনীয়াকৈ মে-ডাম-মেফি আয়োজনৰ বাতৰি পোৱা গৈছে। ধেমাজিৰ জিলাৰ লগতে গুৱাহাটীৰ হেঙেৰাবাৰী, গণেশগুৰি, পাথৰকুৰেৰীত পূৰ্বপুৰুষসকলক শ্ৰদ্ধা তৰ্পণৰ উদ্দেশ্যে মে-ডাম-মেফি অনুষ্ঠান আয়োজন কৰা হৈছে। মে-ডাম-মেফি উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমূহ অসমবাসীলৈ শুভেচ্ছা জনোৱাৰ লগতে পু-লিন, পু-থাওসকলক শ্ৰদ্ধা নিবেদন কৰিছে।

০০০০০০

আজিৰে পৰা আৰম্ভ হ'বলগীয়া অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় প্ৰতিখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

লোকসভা নিৰ্বাচনৰ পূৰ্বে অন্তৰৰ্তী বাজেটত ৰাজ্যৰ তিনিখন স্বায়ত্তশাসিত পৰিষদলৈ বিশেষ পেকেজ আৱণ্টন দিয়াৰ পাছতো পৰিষদকেইখনে ৫০ শতাংশ ধনো লাভ নকৰাৰ বাতৰিটো দৈনিক অসম কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতখনে প্ৰয়াগৰাজৰ মহাকুম্ভত অসমৰ তিনিগৰাকী মহিলা সন্ধানহীন হোৱাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে দৈনিক জনমভূমি কাকতখনেও প্ৰথম পৃষ্ঠাত বিস্তৃতভাৱে প্ৰকাশ কৰিছে। বাতৰিটোত উল্লেখ কৰা অনুসৰি তিনিচুকীয়াৰ দুগৰাকী আৰু বিশ্বনাথৰ এগৰাকী মহিলা মহাকুম্ভত সন্ধানহীন হৈ আছে।

গুৱাহাটী মহানগৰীত পানী যোগান প্ৰকল্পৰ নামৰ সংঘটিত বিত্তীয় কেলেংকাৰীৰ চিবিআই তদন্ত বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয় গোচৰ ৰুজু কৰা বাতৰিটো আমাৰ অসম কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতখনে দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মাৰাথন প্ৰচাৰ অভিযান চলাই থকাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ আকাশত সেনাবাহিনীৰ হেলিকপ্টাৰ আৰু যাত্ৰীবাহী বিমানৰ মাজত হোৱা সংঘৰ্ষত দুই ডজনৰো অধিক লোকৰ মৃত্যু হোৱাৰ বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমৰ স্বায়ত্তশাসিত পৰিষদৰ কামসমূহ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিশ্বজিত দৈমাৰীক অধ্যক্ষ হিচাপে লৈ এখন সমিতি গঠন কৰাৰ বাতৰিটো দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ উশ্বু শিতানত ছানমা ব্ৰহ্মই অসমৰ হৈ প্ৰথমটো পদক লাভ কৰিছে। বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

নলবাৰী জিলাৰ বিশিষ্ট লোক সংস্কৃতিৰ সাধক নাগাৰা নামৰ শিল্পী বিজয় মেধিলৈ নলবাৰী জিলা ছাত্ৰ সন্থা আৰু নলবাৰী জিলা উন্নতি সভাই ২০২৫ বৰ্ষৰ মোহন ভাইৰা স্মাৰক বঁটা প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে। নলবাৰী জিলা প্ৰেক্ষগৃহত অহা ১ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগা অনুষ্ঠানত শিল্পীগৰাকীলৈ এই বঁটা প্ৰদান কৰা হ'ব বুলি জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়াই এখন সংবাদমেলযোগে জানিবলৈ দিছে।

০০০০০০

কৃত্ৰিম বানপানীৰ বুজ লোৱাৰ উদ্দেশ্যে ফ্ৰান্সৰ এটা বিশেষজ্ঞ দল কালি ডিব্ৰুগড়ত উপস্থিত হয়। ফ্ৰান্স চৰকাৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত **এথলেটিক** নামৰ সংস্থাটোৰ বিশেষজ্ঞ দলটোৱে ডিব্ৰুগড়ৰ কেইবাটাও স্থানৰ নলাসমূহ পৰিদৰ্শন কৰাৰ লগতে কৃত্ৰিম বান সমস্যাৰ কাৰকসমূহৰ বুজ লয়। ডিব্ৰুগড়ৰ পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ আৰু কাৰ্যবাহী বিষয়া নভাছ্ দাসে পৰিদৰ্শনকালত বিশেষজ্ঞ দলটোক সংগ দিয়ে।

০০০০০০

ৰাজ্য চৰকাৰে অহা ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰা ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠানটিৰ বাবে জিলাই জিলাই প্ৰস্তুতি চলি আছে। ঝুমুইৰ বিনন্দিনী শীৰ্ষক এই অনুষ্ঠানৰ বাবে তিনিচুকীয়া জিলাত ব্যাপক প্ৰস্তুতি চলি আছে। জিলাখনৰ ডিগবৈ, মাৰ্ঘেৰিটা, শদিয়া আৰু ডুমডুমাত ২৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই প্ৰশিক্ষণৰ আজি সামৰণি পৰিব। ডিগবৈ চহৰৰ জুবিলী খেলপথাৰত অনুষ্ঠিত আখৰাত সমষ্টিটোৰ অন্তৰ্গত ২০০ৰো অধিক শিল্পীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পাছত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত মেঘালয় আৰু নাগালেণ্ডত পাতলীয়া বৰষুণ আৰু অসম, অৰুণাচল প্ৰদেশ, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত ঠাই বিশেষে ঘন কুঁৱলী পৰিব পাৰে বুলি আগলি বতৰা দিছে।

০০০০০০

উত্তৰাখণ্ডৰ ডেৰাডুনত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অসমৰ ফুটবল দলে জয়ৰে অভিযান আৰম্ভ কৰিছে। অসমে কালি গ্ৰুপ পৰ্যায়ৰ এখন খেলত শক্তিশালী গোৱাক ৩-২ গ'লত পৰাস্ত কৰে।

অসমে কালি উশ্বুৰ  জৰিয়তে এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত প্ৰথমটো পদক অৰ্জন কৰে। ছানমা ব্ৰহ্মই উশ্বুৰ পুৰুষৰ টাইজিকোৱন শাখাত অসমৰ হৈ ৰূপৰ পদক লাভ কৰে। একেদৰে মহিলাৰ ৪৫ কিলোগ্ৰাম শাখাত প্ৰীয়া বড়ো, ৭৫ কিলোগ্ৰাম শাখাত খুদ্ৰা পাং য়িং আৰু ৫৬ কিলোগ্ৰাম শাখাত ইলিনা ৰাভাই চেমিফাইনেলত প্ৰৱেশ কৰি তিনিটা পদক নিশ্চিত কৰিছে।

অসমৰ মহিলা বেডমিণ্টন দল আজি চেমিফাইনেলত উত্তৰাখণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই শিতানৰ খেলসমূহ প্ৰায় ১০ বজাত আৰম্ভ হ'ব। অসমে বেডমিণ্টনৰ উপৰি উশ্বু, বক্সিং, শ্বুটিং, চাইক্লিং, ছুইমিং, স্কোৱাচ আৰু ভাৰোত্তোলনত আজি প্ৰতিদ্বন্দিতা আগবঢ়াব। বক্সিঙত লাভলিনা বৰগোঁহায়ে পদক জয়ৰ চেষ্টা চলাব।

০০০০০০

সমাপ্ত